জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৪৩/২০২১

## ৰাষ্ট্ৰীয় পোষণ মাহ-২০২১ৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## পুষ্টিহীনতাৰ বাবে শিশুৰ মৃত্যু ৰোধ কৰাৰ দিশত ঐক্যবদ্ধ প্ৰচেষ্টাৰ পোষকতা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত এমাহ ধৰি চলিবলগীয়া ‘ৰাষ্ট্ৰীয় পোষণ মাহ - ২০২১’ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে খাদ্যৰ কোনো নাটনি নথকা তথা অংগনবাড়ী কেন্দ্ৰসমূহত খাদ্য সামগ্ৰী বিতৰণৰ এক সুসংহত ব্যৱস্থা থকা সত্বেও ভাৰতবৰ্ষত পৰিপুষ্টিহীনতাৰ বাবে শিশু মৃত্যুবৰণ কৰাটো অত্যন্ত দুৰ্ভাগ্যজনক। মুখ্যমন্ত্ৰীয়ে শিশুৰ জনস্বাস্থ্যৰ লগত জড়িত হৈ থকা সকলোকে ঐক্যবদ্ধভাৱে তথা দায়বদ্ধতাৰে এই দিশত কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে পুষ্টিহীনতাৰ বাবে শিশুৰ মৃত্যু হোৱাতো ৰোধ কৰিব পৰা যায়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে পুষ্টিহীনতাৰ বাবে শিশুৰ মৃত্যু হোৱা দিশটোৰ সৈতে শিশুসকলৰ পিতৃ-মাতৃৰ আৰ্থ-সামাজিক অৱস্থাটো প্ৰত্যক্ষভাৱে জড়িত আৰু এই দিশটোৰ ওপৰত আমি ব্যাপক জনসচেতনতাৰ সৃষ্টি কৰিব লাগিব। পুষ্টিহীনতাৰ বিষয়টো নিৰাময় কৰাৰ দিশত সমাজত জনসচেতনতা সৃষ্টিৰ বাবে এক উপযুক্ত পৰিকল্পনা কৰাৰ বিষয়টোৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে সমাজ কল্যাণ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু শিক্ষা বিভাগে এই দিশত ঐক্যবদ্ধভাৱে কাম কৰিব লাগিব বুলি কয়। আশা, অংগনবাড়ী কৰ্মী আৰু শিক্ষকসকলে স্বাস্থ্যৰ বাবে পুষ্টিকৰ আহাৰৰ প্ৰয়োজনীয়তা সম্বন্ধে সমাজৰ তৃণমূল পৰ্যায়লৈকে সচেতন কৰিব লাগিব। ইয়াৰ লগতে এই সম্বন্ধীয় চৰকাৰী আঁচনি আৰু পদক্ষেপৰ বিষয়েও তৃণমূল পৰ্যায়ত জনসচেতনতাৰ সৃষ্টি কৰিব লাগিব বুলি তেওঁ কয়। অংগনবাড়ী কেন্দ্ৰসমূহত শিশুৰ বাবে এক অনুকূল বাতাবৰণ সৃষ্টিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে সকলো অংগনবাড়ী কেন্দ্ৰ জিঅ’ টেগিং কৰাৰ বাবে আহ্বান জনায় যাতে আন্তঃগাঁথনিগত ব্যৱধানসমূহ চিনাক্তকৰণ কৰিব পৰা যায়। তেওঁ লগতে কয় যে অংগনবাড়ী কেন্দ্ৰসমূহৰ উন্নীতকৰণ আৰু ৩ হাজাৰটা নতুন অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ বাবে চলিত বাজেটত ৭৫০ কোটি টকাৰ ব্যৱস্থাপনা কৰা হৈছে। এই কেন্দ্ৰসমূহৰ ভিতৰত ৮০০ টা চাহ বাগিচা অঞ্চলত স্থাপন কৰা হ’ব। ভৱিষ্যতে চাহ বাগিচাৰ অংগনবাড়ী কেন্দ্ৰসমূহত ক্ৰেচৰ ব্যৱস্থা সন্নিৱিষ্ট কৰা হ’ব বুলিও তেওঁ জানিবলৈ দিয়ে।

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

মুখ্যমন্ত্ৰীয়ে সমাজ কল্যাণ বিভাগৰ বিষয়াসকলক তেওঁলোকৰ ওপৰত ন্যস্ত কৰা দায়িত্বসমূহ দায়বদ্ধতাৰে পালন কৰাৰ বাবে আহ্বান জনায় যাতে শিশুসকলে পুষ্টিকৰ আহাৰ লাভৰ পৰা বঞ্চিত হ'ব নালাগে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে কয় যে শিশু আৰু মহিলাৰ পুষ্টিহীনতা নিৰাময়ৰ বাবে ২০১৮ বৰ্ষৰ ৮ মাৰ্চ তাৰিখে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় পোষণ অভিযান আৰম্ভ কৰিছিল। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিভাগে ৫ টা লক্ষ্য আগত ৰাখি চলিত মাহটো পোষণ মাহ হিচাপে পালন কৰিব। সেই সমূহৰ ভিতৰত অত্যাধিক পুষ্টিহীনতাত ভোগা আৰু কিছু পৰিমাণে পুষ্টিহীনতাত ভোগা শিশুৰ চিনাক্তকৰণ, শিশু আৰু গৰ্ভৱতী মহিলাৰ মাজত যোগাভ্যাস জনপ্ৰিয়কৰণ, পুষ্টিকৰ আহাৰৰ খাদ্যৰ টোপোলা যোগান, অংগনবাড়ী কেন্দ্ৰ, বিদ্যালয় আৰু পঞ্চায়ত কাৰ্যালয়সমূহত বৃক্ষ ৰোপন, 'পোষণ অন হুইল'ৰ জৰিয়তে ব্যাপক সজাগতা সৃষ্টি ইত্যাদি। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে চৰকাৰে 'প্ৰধানমন্ত্ৰী মাতৃ বন্দনা আঁচনি'খন পহিলা ছেপ্টেম্বৰৰ পৰা ৭ ছেপ্টেম্বৰলৈ পালন কৰিব। এই আঁচনিৰ জৰিয়তে প্ৰথমবাৰৰ বাবে গৰ্ভধাৰণ কৰা মহিলাসকললৈ তিনিটা কিস্তিত ৫ হাজাৰ টকা প্ৰদান কৰা হ'ব।

আজিৰ এই কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° শৰ্মাই এক অন্নপ্ৰাসন কাৰ্যসূচীটো অংশগ্ৰহণ কৰি কিছু সংখ্যক শিশুক নিজে পুষ্টিকৰ আহাৰ খুৱাই দিয়ে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি তেওঁ বৃক্ষ ৰোপন কাৰ্যসূচীত অংশ গ্ৰহণ কৰাৰ উপৰি 'পোষণ অন হুইল' শীৰ্ষক তিনিখন সজাগতা কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলগীয়া বাহনৰো ফ্লেগ অফ্ কৰে।

সমাজ কল্যাণ বিভাগৰ সঞ্চালক বিভাস মোদীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা, সাংসদ কুইন ওজা, সমাজ কল্যাণ বিভাগৰ প্ৰধান সচিব মুকেশ চাহুৰেও বক্তব্য প্ৰদান কৰে।

**বীঃগঃ / বঃভাঃ**
**১/০৯/২০২১**